**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

*::::::::::::::::::::::::::::::::::::::::::::*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয় সাপেক্ষ অসমৰ প্ৰধান আন্তঃগাথনি আৰু উদ্যোগিক বিকাশৰ সৈতে জড়িত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ভাৰত বিশ্বৰ ভিতৰতে দ্ৰুতভাৱে বিকশিত এখন দেশ আৰু অসম দেশৰ ভিতৰতে দ্ৰুত গতিত বৃদ্ধি পোৱা ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি চহৰত সংসদ আৰু ৰাজ্যিক তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাত মহিলা সৱলীকৰণ সমিতিৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰে।

৪। উৎসৱৰ বতৰৰ পূৰ্বে জি এছ টিৰ দ্বিতীয় পৰ্যায় প্ৰৱৰ্তন কৰা হ'ব বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰে।

*আৰু*

৫। ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয় সাপেক্ষে অসমৰ প্ৰধান আন্তঃগাথনি আৰু উদ্যোগিক বিকাশৰ সৈতে জড়িত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

দৰং জিলাৰ মঙলদৈত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত বিশ্বৰ ভিতৰতে দ্ৰুতভাৱে বিকশিত এখন দেশ আৰু অসম দেশৰ ভিতৰতে দ্ৰুত গতিত বৃদ্ধি পোৱা ৰাজ্য হিচাপে পৰিগণিত হৈছে। শ্ৰীমোদীয়ে কয় যে দেশে বিকশিত ভাৰত নিৰ্মাণৰ বাবে একত্ৰিত হৈ আগবাঢ়িছে আৰু এই সংকল্প প্ৰাপ্তিৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ ভূমিকা আছে। তেওঁ কয় যে একবিংশ শতিকাৰ ২৫ বছৰ পাৰ হৈ গল আৰু পৰৱৰ্তী ২৫ বছৰ গোলকীয় বিশ্ব আৰু উত্তৰ পূৱৰ অন্তৰ্গত। প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে উত্তৰ পূৱৰ সংযোগৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে যিহেতু কোনো অঞ্চলৰ দ্ৰুত বিকাশৰ বাবে দ্ৰুত সংযোগ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ। শ্ৰীমোদীয়ে ভোকেল ফৰ লোকেলৰ ব্ৰেণ্ড এম্বেছেদৰ হবলৈ আৰু স্বদেশী উৎপাদনৰ ওপৰত গৌৰৱবোধ কৰিবলৈ সকলোকে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব আৰু অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা দেশৰ প্ৰতি ইঞ্চি ভূমি উদ্ধাৰ কৰা হ'ব বুলি কয়। অনুপ্ৰৱেশকাৰীৰ পৃষ্ঠপোষকসকলক সকিয়াই দি

প্ৰধানমন্ত্ৰীয়ে কয়, যে অনুপ্ৰৱেশকাৰীক ৰক্ষনাবেক্ষন দিয়া শক্তিয়ে যিমানেই চেষ্টা নকৰক কিয়, প্ৰাণ দি হলেও তেওঁলোকক প্ৰতিহত কৰা হ'ব। শ্ৰীমোদীয়ে অনুপ্ৰৱেশকাৰীৰ বেদখলৰ পৰা প্ৰায় ১ লাখ বিঘা ভূমি উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱাৰ বাবে ৰাজ্যৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বৰ চৰকাৰক প্ৰশংসা কৰে।

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত তেওঁ কংগ্ৰেছক সমালোচনা কৰি কয় যে সুধাকণ্ঠক ভাৰতৰত্ন দিয়াত কংগ্ৰেছে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰৰ সন্মান আৰু সংৰক্ষণৰ লগতে ৰাজ্যখনৰ দ্ৰুত বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে। স্বাধীনতাৰ পিছত চীনৰ আক্ৰমনৰ সময়ত তদানিন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মন্তব্যই অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলক আঘাত দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অসমৰ পূৰ্বপুৰুষৰ সপোন এতিয়া বিজেপিয়ে পূৰণ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দৰঙত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়। প্ৰধানমন্ত্ৰীয়ে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলাঘাট জিলাৰ নুমলীগড়ত ১২ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে দুটা প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে নুমলীগড় শোধনাগাৰত ৫ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰে। তেওঁ ৭ হাজাৰ ২৩১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে গেছ আৰু তেলৰ বিকল্প হিচাপে ইথানলৰ চাহিদা বৃদ্ধি হৈছে। প্ৰকল্পটোৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি আৰু ৰাজ্যখনত সামগ্ৰিকভাৱে আৰ্থসামাজিক বিকাশ সম্ভৱ হ'ব বুলিও তেওঁ আশা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে জৈৱ ইথানল প্ৰকল্প পৰিদৰ্শন কৰাৰ লগতে প্ৰকল্পত নিয়োজিত বিষয়া-কৰ্মচাৰী তথা বাঁহ খেতিয়কসকলৰ সৈতেও বাৰ্তালাপত মিলিত হয়। অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, ৰূপেশ গোৱালাকে ধৰি বহুকেইগৰাকী মন্ত্ৰী-বিধায়ক উপস্থিত থাকে।

০০০০

**লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি অন্ধ্ৰ প্ৰদেশৰ তিৰুপতি চহৰত সংসদ আৰু ৰাজ্যিক তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাত মহিলা সৱলীকৰণ সমিতিৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে এই উপলক্ষে এখন প্ৰদৰ্শনী উদ্বোধন কৰাৰ লগতে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।**

**ৰাজ্যসভাৰ উপ সভাপতি, অন্ধ্ৰ প্ৰদেশ বিধান পৰিষদ আৰু বিধানসভাৰ সভাপতি, অধ্যক্ষ, সংসদ আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ মহিলা সৱলীকৰণ সমিতিৰ অধ্যক্ষৰ লগতে কেইবাগৰাকীও গণ্যমান্য ব্যক্তিয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। এই সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এশৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।**

তিৰুপতিত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত মহিলা সৱলীকৰণ সমিতিৰ এই সন্মিলনে নাৰী সৱলীকৰণৰ বিষয়ত নতুন আলোচনাৰ সূচনা কৰে। প্ৰযুক্তিৰ পৰিৱৰ্তনৰ যুগত মহিলাসকলক নেতৃত্ব দিব পৰাকৈ সাজু কৰি তোলাৰ ক্ষেত্ৰতো এই সন্মিলনত গুৰুত্ব আৰোপ কৰা হয়।

oooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং দুদিনীয়া ভ্ৰমণসূচীলৈ কলকাতালৈ ৰাওনা হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কয় যে তেওঁ কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া সংযুক্ত কমাণ্ডাৰ্ছ সন্মিলনত অংশগ্ৰহণ কৰিব। তেঁও কয় যে এইবাৰৰ সন্মিলনত সংস্কাৰ পৰিৱৰ্তন আৰু কাৰ্যকৰী প্ৰস্তুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

oooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে উৎসৱৰ বতৰ-দীপাৱলী, দুৰ্গাপূজা আৰু নৱৰাত্ৰিৰ পূৰ্বে জি এছ্ টি দ্বিতীয় পৰ্যায়  প্ৰৱৰ্তন কৰা হ'ব আৰু ইয়াৰ দ্বাৰা প্ৰতিগৰাকী ভাৰতীয় উপকৃত হ'ব। চেন্নাইত আজি বাণিজ্য আৰু উদ্যোগ সন্থাৰ যৌথ সন্মিলনত ভাষণ দি তেঁও কয় যে প্ৰায় ৯৯ শতাংশ সামগ্ৰীৰ জি এছ্ টি ১২ ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ২৮ শতাংশ জি এছ্ টি ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে ৮ বছৰ পূৰ্বে তেতিয়া এই কৰ প্ৰৱৰ্তন কৰা হৈছিল। তেতিয়া মুঠ ৬৫ লাখ কোম্পানীয়ে জি এছ্ টি আদায় দিছিল আৰু আজি ই ডেৰ কোটিলৈ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে কৰ ব্যৱস্থাৰ ফলত এখন ৰাষ্ট্ৰ এটা কৰ ব্যৱস্থা গঢ় লৈ উঠিছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিত্ত মন্ত্ৰালয়ক জি এছ্ টি সন্দৰ্ভত বিশেষ পেকেজ দিয়াবলৈ উৎসাহিত কৰিছিল আৰু বিভিন্ন অংশীদাৰ তথা মন্ত্ৰীগোটৰ সৈতে আলোচনাৰ অন্তত পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি প্ৰৱৰ্তন কৰা হৈছিল।

oooo

সেৱা আৰু সুশাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত চৰকাৰে দেশৰ পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজিৰ এই প্ৰতিবেদনত আমাৰ পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্যৰ  কেনেদৰে পৰিবৰ্তন সাধন হৈছে সেই বিষয়ে আলোচনা কৰিছোঁ ।

বৈদিক যুগৰ পৰাই ‘পৃথিৱী আমাৰ মাতৃ আৰু আমি সকলো পৃথিৱীৰ সন্তান’ কথাষাৰ মানি অহা হৈছে । ইয়াৰ ফলত পৰিৱেশৰ সৈতে মানুহৰ সম্প্ৰীতিৰ নতুন নতুন দিশ উন্মোচিত হৈছে। যোৱা ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত এই প্ৰাচীন প্ৰজ্ঞাক আৰু অধিক শক্তিশালী আৰু ব্যৱহাৰিক কাৰ্যলৈ ৰূপান্তৰিত কৰা হৈছে।

ব্যাঘ্ৰ প্ৰকল্প আৰু সিংহ প্ৰকল্পৰ পৰা অভিলাষী  চিতা প্ৰকল্পলৈকে দেশে বন্য প্ৰাণীৰ বাসস্থান শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে । এসময়ত বিলুপ্তপ্ৰায় বুলি ভবা অনেক প্ৰজাতিও পুনৰুদ্ধাৰ কৰা হৈছে । বৰ্তমান ভাৰতত বিশ্বৰ ভিতৰতে সৰ্বাধিক সংখ্যক বাঘ আছে। এছিয়াটিক সিংহৰ সংখ্যা ৮৯১ লৈ বৃদ্ধি পাইছে, যাৰ ফলত যোৱাটো দশকত

এইবিধ প্ৰজাতিৰ সিংহৰ সংখ্য ৭০ শতাংশ বৃদ্ধি পাইছে। আনহাতে চিতাবোৰে সাত দশকৰ পাছত চিতা প্ৰকল্পৰ অংশ হিচাপে ভাৰতৰ মাটিত নতুন পোৱালি জন্ম দিছে ।

পৃথিবীৰ বৃক্ক বুলি অভিহিত কৰা আমাৰ জলাশয়সমূহেও মনোযোগ আকৰ্ষণ কৰা দেখা গৈছে। ভাৰতত বৰ্তমান ৯১টা ৰামছাৰ ক্ষেত্ৰ আছে । এই সংখ্যা এছিয়াৰ ভিতৰতেই সৰ্বাধিক। পৰিভ্ৰমী চৰাই আৰু পৰিৱেশ তন্ত্ৰৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে । 'এক পেড় মা কে নাম' অভিযানত ১৪২ কোটিৰো অধিক গছ ৰোপণ কৰা হৈছে, যিয়ে পৰিৱেশ বিজ্ঞানত বিশেষ প্ৰভাৱ পেলাইছে। ইফালে বনাঞ্চল ক্ৰমাগতভাৱে সম্প্ৰসাৰিত হৈছে। জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অধীনত চৰকাৰে সকলোৰে বাবে সেউজ, সুস্থ আৰু অধিক সুৰক্ষিত ভৱিষ্যত গঢ়ি তোলাৰ বাবে কাম কৰি আছে।

০০০০

ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ফেব্ৰুৱাৰীৰ পাছত চলিত বৰ্ষত এইবাৰ প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইউ এ ই আৰু ওমানক পৰাস্ত কৰি দুয়োটা দলৰে মানসিক স্থিতি সম্প্ৰতি শক্তিশালী হৈ আছে। ভাৰতে ডুবাইত যোৱা বুধবাৰে অনুষ্ঠিত খেলখনত ইউ এ ইক ৯ উইকেটত আৰু পাকিস্তানে ওমানক ৯৩ ৰানত পৰাস্ত কৰিছিল।

০০০০

হংকং অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ফাইনেলত আজি ভাৰতৰ লক্ষ্য সেন - চীনৰ লি চি ফেঙৰ হাতত পৰাস্ত হয়। ফেঙে ভাৰতীয় খেলুৱৈগৰাকী খেলৰ ৪৫ মিনিটতে ২১-১৫ আৰু ২১-১২ৰ পোনপটীয়া ছেটত পৰাস্ত হৈ ছেম্পিয়নৰ খিতাপ দখল কৰে। ইয়াৰ লগে লগে চীন কোনো এখন প্ৰতিযোগিতাৰ আটাইকেইটা ইভেণ্টতে ছেম্পিয়ন হোৱা প্ৰথমখন দেশ হিচাপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ভাৰতীয় যুটী সত্তিক সাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো পুৰুষৰ ডাবলছ্ শিতানত চীনৰ লিয়াং উইকেং আৰু ৱাং ছাঙৰ হাতত পৰাজিত হয়।

০০০০

সমাপ্ত